# অ'ৰিয়েণ্টৰ নতুন ব্ৰেণ্ড মুকলি

গুৱাহাটী, ২৫ এপ্ৰিল ঃ চি কে বিৰলা গ্ৰুপৰ অংগ অ'ৰিয়েণ্ট ইলেকট্ৰিকছে অলপতে নিজৰ নতুন ব্ৰেণ্ড পৰিচয় 'অ'ৰিয়েণ্ট ইলেকট্ৰিক'ৰ মুকলি কৰে। দেশৰ সকলোতকৈ পুৰণা আৰু সকলোতকৈ ডাঙৰ ফেন নিৰ্মাতা অ'ৰিয়েণ্টে ভাৰতীয় ফেন উদ্যোগত এটা মহত্বপূৰ্ণ খেলুৱৈৰ স্থানৰ পৰা স্মাৰ্ট হোম ছলিউছন প্ৰ'ভাইডাৰ হোৱাৰ দিশে আগবাঢ়িছে। এক বিস্তৃত গ্ৰাহক অভিজ্ঞতা প্ৰদানৰ লক্ষ্যৰে অ'ৰিয়েণ্ট ইলেকট্ৰিকে ৰুচিকৰ ডিজাইন, বিজুলী ৰাহি কৰা লাইটিং সামগ্ৰী, ফেন আৰু হোম এপ্লায়েঞ্চৰ শৃংখলৰ লগতে ব্ৰেণ্ডৰ কুল কোটেণ্টক আগবঢ়াবলৈ তৈয়াৰ হৈছে। এই প্ৰসংগতে চি কে বিৰলা গ্ৰুপৰ চেয়াৰমেন মিঃ চি কে বিৰলাই কয় যে অ'ৰিয়েণ্ট ইলেকট্ৰিক এটা উৎপাদন কোম্পানীৰ পৰা লাইফষ্টাইল হোম ছলিউছন প্ৰ'ভাইডাৰৰ ৰূপত বিকশিত হৈছে। এই ব্ৰেণ্ডে নতুন প্ৰজন্মৰ ব্যৱহাৰকাৰীৰ বাঢ়ি অহা প্ৰয়োজনীয়তাসমূহ পূৰণ কৰাৰ দিশত আগবঢ়াত সমৰ্থ হ'ব। ইয়াৰ লগতে অ'ৰিয়েণ্ট ইলেকট্ৰিকৰ চি ইঅ' মিঃ মনোজ বাৰ্মাই কয় যে নতুন দায়বদ্ধতাৰ সৈতে আমি আমাৰ ইন-হাউছ উৎপাদন আৰু আৰ এণ্ড ডি ক্ষমতাৰ বিস্তাৰ কৰিছো, যাতে আমি প্ৰডাক্ট আৰু সমাধান প্ৰদানৰ লগতে উচ্চ ক্ষমতাসম্পন্ন দক্ষতা, সুৰক্ষা আৰু দীৰ্ঘজীৱিতা সহজ উপায়েৰে প্ৰদান কৰিব পাৰো। কোম্পানীটোৰ ৰিপোজিছনিঙৰ ৰণনীতিৰ ভিতৰত অ'ৰিয়েণ্ট ইলেকট্ৰিকে নতুন কোম্পানী ল'গ' কমলা ৰঙত মুকলি কৰিছে, যিয়ে আপোন আপোন আৰু ৰক্ষণাত্মক প্ৰবৃত্তিক প্ৰতিফলিত কৰে।